**2017**

**ASSAMESE**

**Paper : 4.04 (Group-A)**

# STUDY ON SANSKRIT LITERATURE

Full Marks: 80

Time: 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) বেদৰ আন এটা নাম কি?

(খ) ৰজা দিলীপৰ পত্নীৰ নাম কি আছিল?

(গ) মহাভাৰতৰ কোনটো পৰ্বত শকুন্তলা উপাখ্যান বৰ্ণিত হৈছে?

(ঘ) মেঘদূতৰ ভাগ দুটা কি কি?

(ঙ) 'অভিজ্ঞান শকুন্তলম' নাটকৰ আদিতে দুষ্যন্তই সন্মুখীন হোৱা ঋষিকুমাৰজনৰ নাম কি?

(চ) 'মৃচ্ছকটিকম' প্ৰকৰণৰ বিদুষক কোন?

(ছ) 'অভিজ্ঞান শকুন্তলম'ত ইন্দ্ৰৰ সাৰথিজনৰ নাম কি?

(জ) 'মৃচ্ছকটিকম'ৰ চৰিত্ৰ ৰোহসেন কোন?

(ঝ) বিক্ৰমাঙ্কদেৱচৰিত'ৰ সৰ্গসংখ্যা কিমান?

(ঞ) মৃচ্ছকটিকম প্ৰকৰণত কেইটা অঙ্ক আছে ?

২. চমুকৈ উত্তৰ লিখা ঃ ২ x ৫ = ১০

(ক) বৃহ বৰ্ধনে-ধাতুৰ পৰা নিস্পন্ন হোৱা ব্ৰাহ্মণ শব্দৰ অৰ্থকেইটা কি কি?

(খ) 'বাগাৰ্থ প্ৰতিপত্তয়ে' বাক্যশাৰীত কিহৰ অৱগতিৰ কথা কোৱা হৈছে??

(গ) বৈদিক পৰিভাষাত 'বিধি' মানে কি?

(ঘ) গল্পসাহিত্যৰ উদ্দেশ্য তিনিটা কি কি?

(ঙ) শতকত্ৰয় বুলিলে কি বুজা?

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ x ২ = ১০

(ক) নীতিকাব্য

(খ) শকুন্তলা

(গ) উদয়ন

(ঘ) চাৰুদত্ত

৪. অভিজ্ঞান শকুন্তলম নাটকৰ নান্দীশ্লোকৰ বাচ্যাৰ্থ বিচাৰ কৰি টীকাকাৰ ৰামৰভট্টৰ মতে উক্ত শ্লোকটোৰে নাটকখনৰ ব্যঙ্গাৰ্থ কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা। ৭

নাইবা

'স্বপুবাসৱদত্তম' নাটকৰ প্ৰথম অঙ্কত উপস্থাপিত ব্ৰহ্মচাৰীৰ প্ৰৱেশে নাটকীয় চৰিত্ৰ সমূহৰ মাজত কেনেকুৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আলোচনা কৰি অংকটোৰ আধাৰত পৰিৱেশ সৃষ্টিৰ মাজেৰে চৰিত্ৰৰ উপস্থাপনত কবি ভাসৰ কলাকৌশল বিচাৰ কৰা।

৫. 'মৃচ্ছকটিকম' প্ৰকৰণৰ নামৰ তাৎপৰ্য বহন কৰি চতুৰ্থ অঙ্কত প্ৰতিফলিত



হোৱা বসন্তসেনাৰ সৰল হৃদয়ৰ প্ৰতিচ্ছবি শুদ্ৰকে কেনেদৰে অঙ্কণ কৰিছে সেইসম্পৰ্কে এক বিশ্লেষণ আগবঢ়োৱা। ৭

নাইবা

বশিষ্ঠমুনিৰ আশ্ৰমত প্ৰৱেশ কৰাৰ পিছত ৰজা দিলীপৰ সন্তানহীনতাৰ প্ৰতিকাৰৰ উপায় সম্বলিত কাহিনীভাগ তোমাৰ ভাষাত বৰ্ণনা কৰা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. ৱেদক শ্ৰুতিবুলি কোৱাৰ কাৰণ কি? ত্ৰৈবিদ্যাৰ ভিতৰত সামবেদৰ গুৰুত্ব বিচাৰ কৰি কৌথুম শাখা অনুসৰি ইয়াৰ বিভাজন দেখুৱাই এক বিস্তৃত বিৰৰণ আগবঢ়োৱা। ৬ +৬= ১২

৭. 'ৰঘুবংশ' মহাকব্যত মহাকাব্যৰ লক্ষণ সমূহ কিদৰে পৰিস্কুট হৈছে আলোচনা কৰা। ৭ +৫= ১২

৮. 'অভিজ্ঞান শকুন্তলম' নাটকত চৰিত্ৰ-চিত্ৰণ পৰিবেশ সৃষ্টি আৰু বিষয়বস্তুৰ উপস্থাপনত কালিদাসৰ ৰচনাশৈলীৰ বিচিত্ৰতা আৰু অভিনৱত্ব কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা। ১২

৯. শুদ্ৰকৰ 'মৃচ্ছকটিকম' প্ৰকৰণৰ অঙ্কসমূহৰ নামবোৰৰ তাৎপৰ্য বিচাৰকৰি প্ৰতিটো অঙ্কৰ মাজেৰে পৰিস্ফুট হোৱা তদানীন্তন সমাজৰ চিত্ৰ অংকণ কৰা। ২ +২+৮= ১২

১০. ভাসৰ 'স্বপ্নবাসৱদত্তম' নাটকৰ নাৰীচৰিত্ৰ বসৱদত্তা আৰু পদ্মাৱতীৰ মাজত এক তুলনামূলক আলোচনা প্ৰস্তুত কৰা। ৮+৪= ১২

——— x ———